নং ঃ ২৬/ ২০২০

## অস্ত্ৰ সম্বৰণ আৰু মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন অনুষ্ঠানত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# সশস্ত্ৰ সংগঠনৰ সদস্যসকলৰ মূলসুঁতিলৈ প্ৰত্যাৱৰ্তনে ৰাজ্যৰ শান্তি প্ৰক্ৰিয়াটোত ইতিবাচক প্ৰভাৱ পেলাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ জানুৱাৰী ঃ** 'যিসকল যুৱকে সন্ত্ৰাসবাদ আৰু উগ্ৰপন্থী কাৰ্যকলাপ পৰিহাৰ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহি তেওঁলোকে জীৱনটো সুন্দৰ ৰূপে গঢ় দিবলৈ বিচাৰে সেইসকল যুৱকক সমাজ জীৱনলৈ অহাৰ সুযোগ দিয়া হ'ব। আজি যিসকলে অস্ত্ৰ সমৰ্পণ কৰি স্বাভাৱিক জীৱন ধাৰালৈ উভতি আহিলে সেইসকল সশস্ত্ৰ সংগঠনৰ সদস্যক মই অভিনন্দন জনাইছো। মই আশাকৰোঁ, কঠোৰ পৰিশ্ৰম আৰু উৎসৰ্গিত মনোভাৱেৰে ৰাষ্ট্ৰ নিৰ্মাণৰ কামত অৰ্থবহ বৰঙণি যোগাবলৈ সক্ষম হ'ব। আজি এই অস্ত্ৰ সম্বৰণৰ জৰিয়তে অন্যান্য সশস্ত্ৰ সংগঠনৰ সদস্য সকলোকো মূলসুঁতিলৈ উভতি অহাৰ বাবে প্ৰেৰণা যোগাব।' আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ গৃহ বিভাগে আয়োজন কৰা  অস্ত্ৰ সম্বৰণ আৰু মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

উল্লেখ্য যে ৮ টা সশস্ত্ৰ সংগঠনৰ ৬৪৪ গৰাকী সদস্যই আজি অস্ত্ৰ সম্বৰণ কৰে। ইউনাইটেড লিবাৰেশ্যন ফ্ৰন্ট অৱ আসাম ইণ্ডিপেণ্ডেন্ট ( আলফা - আই), ইউনাইটেড লিবাৰেশ্যন ফ্ৰন্ট অৱ বড়োলেণ্ড (এন ডি এফ বি), কমতাপুৰ লিবাৰেশ্যন অৰগেনাইজেশ্যন (কে এল অ'), ৰাভা নেশ্যলেন লিবাৰেশ্যন ফ্ৰন্ট ( আৰ এন এল এফ) প্ৰমুখ্যে অন্যান্য সংগঠনৰ সদস্য সকলে আনুষ্ঠানিক ভাৱে  আজিৰ এই অনুষ্ঠানত অস্ত্ৰ সম্বৰণ কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সন্ত্ৰাবাদ মুক্ত অসম গঢ়াৰ বাবে ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা দায়বদ্ধতাৰে কাম কৰি আহিছে। আত্মসমৰ্পণ কৰা সশস্ত্ৰ সংগঠনৰ সদস্য সকলক  ৰাষ্ট্ৰ নিৰ্মাণৰ কামত নিজকে উৎসৰ্গিত মনোভাৱেৰে জড়িত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁলোকৰ সম্ভাৱনাৰ প্ৰয়োগেৰে সমাজলৈ ইতিবাচক ৰূপান্তৰ সম্ভৱ কৰি তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে উন্নয়নৰ বাবে শান্তি অপৰিহাৰ্য। প্ৰাক্তন উগ্ৰপন্থীসকলে সমাজত শান্তি আৰু একতাৰ পৰিৱেশ নিৰ্মাণৰ  ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব পাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতক শক্তিশালী ভাৱে গঢ়ি তোলাৰ লক্ষ্যৰে উৎসৰ্গিত মনোভাৱেৰে যি কাম কৰি আহিছে সেই কামৰ প্ৰতি সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণে সহযোগিতাৰ হাত প্ৰশস্ত কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এক্ট ইষ্ট পলিচিৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নক নতুন মাত্ৰা দিব বিচৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে  ৰাজ্য চৰকাৰে দক্ষিণ পূৱ এছিয়াৰ দুৱাৰমুখ হিচাপে গুৱাহাটীক গঢ়ি তোলাৰ উদ্দেশ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ কৃষক সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী আবুধাবি, ছিংগাপুৰ, দুবাই ইত্যাদি বজাৰলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কঠোৰ পৰিশ্ৰম আৰু উৎসৰ্গিত মনোভাৱৰ জৰিয়তে সমাজত নিজকে

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

প্ৰতিষ্ঠা কৰি ইতিবাচক পৰিৱেশৰ সুযোগ গ্ৰহণ কৰি আগুৱাই যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আত্মসমৰ্পণ কৰা সদস্যসকলক পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াব।

মুখ্যমন্ত্ৰীয়ে কয় যে সশস্ত্ৰ সংগঠনৰ সদস্য সকলে অস্ত্ৰ সম্বৰণ কৰি তেওঁলোকে গণতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ ওপৰত থকা বিশ্বাস প্ৰতীয়মান কৰিছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰি কয় যে ইয়ে গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি বিশ্বাস ৰখাৰ ক্ষেত্ৰত সকলোকে উৎসাহিত কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে আমাৰ যুৱ প্ৰজন্মকো দেশৰ গণতান্ত্ৰিক ভেটি শক্তিশালী কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈও উৎসাহিত কৰিব। আলোচনাৰ মাধ্যমেৰে সকলো সমস্যাৰ সমাধান সম্ভৱ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ভূমিৰ সকলো আইনৰ ওপৰত বিশ্বাস ৰাখিবলৈও জনসাধাৰণক আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানতে জি অ' চি-৪ ক'ৰৰ লেফটেনেন্ট জেনেৰেল মনোজ পাণ্ডেক বিদায় জনোৱাৰ উপৰি নৱনিযুক্ত জি অ' চি-৪ ক'ৰৰ লেফটেনেন্ট জেনেৰেল শান্তনু দয়ালক মুখ্যমন্ত্ৰীয়ে আদৰণি জনায়।

আজিৰ এই অনুষ্ঠানত বিধায়ক ঋতুপৰ্ণ বৰুৱা, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, গৃহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, গৃহ বিভাগৰ আয়ুক্ত সচিব আশুতোষ অগ্নিহোত্ৰী, এডিজিপি (আইন-শৃংখলা) জি পি সিং, আই জি পি এছ বি হীৰেন নাথ প্ৰমুখ্যে অন্যান্য উচ্চপদস্থ বিষয়া সকল উপস্থিত থাকে।

**স্বাঃডেঃ / পুঃডেঃ**
**২৩/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in